**NSD NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 25-10-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

oooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ  মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব।

২। ৰাষ্ট্ৰসংঘত ভাৰতৰ স্থায়ী প্ৰতিনিধি পৰ্বতানেনী হৰিশে পাকিস্তানক দেশখনে অবৈধভাৱে দখল কৰি থকা জম্মু-কাশ্মীৰৰ এলেকাসমূহত মানৱ অধিকাৰ উলংঘনৰ ঘটনা বন্ধ কৰিবলৈ কৈছে।

৩। দেশৰ বিভিন্ন অংশত পৰম্পৰাগত ৰীতি-নীতিৰে ৪ দিনীয়া ষট পূঁজা আৰম্ভ হৈছে।

৪। ভাৰতীয় নিৰ্বাচন আয়োগে বিহাৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে নিৰ্বাচনী প্ৰচাৰত কৃত্ৰিম বুদ্ধিমত্তা আৰু সংশ্লেষণাত্মক বিষয়বস্তুৰ ব্যৱহাৰৰ কঠোৰ নীতি নিয়ম প্ৰস্তুত কৰি নতুনকৈ পৰামৰ্শ জাৰি কৰিছে। আৰু

৫। ভাৰতে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে চীডনীত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত আমালৈ বাতৰি অহা পৰলৈকে ৭ অভাৰত এটাও উইকেট নেহেৰুওৱাকৈ ৩৭ ৰাণ সংগ্ৰহ কৰিছে।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ  মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২৭ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেৰছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

ৰাষ্ট্ৰসংঘত ভাৰতৰ স্থায়ী প্ৰতিনিধি পৰ্বতানেনী হৰিশে পাকিস্তানক দেশখনে অবৈধভাৱে দখল কৰি থকা জম্মু-কাশ্মীৰৰ এলেকাসমূহত মানৱ অধিকাৰ উলংঘনৰ ঘটনা বন্ধ কৰিবলৈ কৈছে। ৮০ সংখ্যক ৰাষ্ট্ৰসংঘ দিৱস উপলক্ষে আয়োজিত মুকলি বিতৰ্কত অংশগ্ৰহণ কৰি শ্ৰী হৰিশে কালি এইদৰে মন্তব্য কৰে। তেওঁ কয় যে জম্মু-কাশ্মীৰ সদায় ভাৰতৰ অবিচ্ছেদ্য অংগ আছিল আৰু অভিন্ন অংগ হৈ থাকিব।

তেওঁ কয়, যে জম্মু-কাশ্মীৰৰ জনসাধাৰণে দেশৰ, সময়ৰ পৰীক্ষাত উত্তীৰ্ণ গণতান্ত্ৰিত পৰম্পৰা আৰু সাংবিধানিক পৰিকাঠামো অনুসৰি নিজৰ মৌলিক অধিকাৰ সাব্যস্ত কৰি আহিছে। সমগ্ৰ বিশ্ব এটা পৰিয়াল বুলি গণ্য কৰা আৰু সকলোৰে বাবে ন্যায়, দৰ্যাদা আৰু সমৃদ্ধিৰ পোষকতা কৰা ভাৰত বসুধৈৱ কুটুম্বকম নীতিৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ বুলি তেওঁ মন্তব্য কৰে।

০০০০০

দেশৰ বিভিন্ন অংশত ৪ দিনীয়া ষট পূঁজা আৰম্ভ হৈছে। সূৰ্য দেৱতাৰ নামত উৎসৰ্গিত এই উৎসৱ প্ৰকৃতি আৰু পৰিষ্কাৰ -পৰিচ্ছন্নতাৰ আৰধনাৰ প্ৰতীক। ভক্তসকলে পূঁজাৰ প্ৰথম দিনা পবিত্ৰ ব্ৰত ৰখাৰ সংকল্পৰে পবিত্ৰ স্নান সম্পন্ন কৰে আৰু পূঁজা আৰ্চনাৰ অন্তত আৰৱা চাউলৰ আহাৰ আৰু জাতিলাও চবজী গ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ষট পূঁজা উপলক্ষে দেশ-বিদেশৰ ভক্তসকলক ওলগ জনাইছে। শ্ৰীমোদীয়ে আজি সামাজিক মাধ্যমৰ এটা পোষ্টযোগে ব্ৰতত থকা সকলো লোকৰ অভূতপূৰ্ব ভক্তিৰ প্ৰতি প্ৰণিপাত জনায় আৰু এই ৪ দিনীয়া উৎসৱৰ সাংস্কৃতিক গুৰুত্বৰ বিষয়ে আলোকপাত কৰে। ষট পূঁজাত বৰ্ধিত গোলকীয় স্বীকৃতিৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে বিশ্বৰ বিভিন্ন প্ৰান্তত বাসকৰা ভাৰতীয় পৰিয়ালসমূহে নিষ্ঠাসহকাৰে এই উৎসৱত ভাগ লয়। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে ষঠী মযাৰ নামত উৎসৰ্গিত এটা ভক্তিমূলক গীতো শ্বেয়াৰ কৰে। ষঠী ময়াই সকলোকে তেওঁৰ আশীষেৰে ধন্য কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে কামনা কৰে। শ্ৰীমোদীয়ে কয যে পবিত্ৰতা আৰু নীতি-নিয়ম পালনৰ দিশৰ পৰা অদ্বিতীয় এই উৎসৱ, সৰলতা আৰু সংযমৰ প্ৰতীক স্বৰূপ। তেওঁ লগতে কয়, যে ষট পূজাঁৰ ঘাটসমূহৰ দৃশ্যৰাজিয়ে পাৰিবাৰিক আৰু সামাজিক সম্প্ৰীতি সম্ভাৰৰ প্ৰেৰণা যোগায়। প্ৰধানমন্ত্ৰীয়ে লগতে সমাজৰ ওপৰত গভীৰ প্ৰভাৱৰ বিষয়ে আলোকপাত কৰে।

শ্ৰীমোদীয়ে কয় যে ষট পৰ্ব আস্থা, আৰাধনা আৰু প্ৰকৃতি প্ৰেমৰ অনন্য সংগম। তেওঁ কয় যে ষট পূঁজাৰ সময়ত উদিত আৰু অস্তমিত সূৰ্যৰ দেৱতা প্ৰতি অৰ্ঘ্য অৰ্পণ কৰা হয়। ষট পূঁজাৰ প্ৰসাদত প্ৰকৃতিৰ ভিন ভিন ৰঙৰ সমাহাৰ দেখুবিলৈ পোৱা যায় বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয যে গীত-সুৰত ভক্তি আৰু প্ৰকৃতিৰ অদ্ভুত ভাৱনা নিহিত হৈ থাকে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে নহায় খায় উপলক্ষে সকলোকে শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীশ্বাহে কয় যে নহায় খায় প্ৰথাৰে আৰম্ভ হোৱা ষট পূঁজা পৰম্পৰা, আস্থা আৰু সামাজিক সম্প্ৰীতিৰ উৎসৱ। তেওঁ লগতে সকলোৰে সুখ-সমৃদ্ধিৰ ওচৰত ষঠী ময়াৰ ওচৰত প্ৰাৰ্থনা জনায়। ০০০

০০০০০

পৰিসংখ্যা আৰু ৰূপায়ণ মন্ত্ৰ্যালয়ে ভাৰতীয় পৰিসংখ্যা প্ৰতিষ্ঠান বিধেয়ক ২০২৫ৰ খচৰা সন্দৰ্ভত মতামত আৰু পৰামৰ্শ দাখিলৰ সময়সীমা বৃদ্ধি কৰিছে। জনসাধাৰণে অহা তিনি নৱেম্বৰ পৰ্যন্ত নিজৰ মতামত আৰু পৰামৰ্শ মন্ত্ৰ্যালয়লৈ নিৰ্দিষ্ট ৱেবছাইটত প্ৰেৰণ কৰিব পাৰিব। পৰামৰ্শসমূহ ই-মেইল যোগেও প্ৰেৰণৰ সুবিধা আছে। এই খচৰা বিধেয়কখনৰ লক্ষ্য হৈছে ভাৰতীয় পৰিসংখ্যা প্ৰতিষ্ঠানক

পঞ্জীয়নভুক্ত সংস্থাৰ পৰা বিধিগত সংস্থালৈ ৰূপান্তৰ কৰি প্ৰতিষ্ঠানিক মৰ্যাদালৈ উন্নীত কৰা।

০০০০০

ভাৰতীয় নিৰ্বাচন আয়োগে বিহাৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে নিৰ্বাচনী প্ৰচাৰত কৃত্ৰিম বুদ্ধিমত্তা আৰু সংশ্লেষণাত্মক বিষয়বস্তুৰ ব্যৱহাৰৰ কঠোৰ নীতি নিয়ম প্ৰস্তুত কৰি নতুনকৈ পৰামৰ্শ জাৰি কৰিছে। আয়োগে ৰাজনৈতিক দল, প্ৰাৰ্থী আৰু প্ৰচাৰ প্ৰতিনিধিসকলক প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰা কৃত্ৰিমভাৱে সৃষ্টি কৰা বা কৃত্ৰিম বুদ্ধিমত্তাৰ দ্বাৰা প্ৰস্তুত কৰা ছবি, অডিঅ' আৰু ভিডিঅ'সমূহক কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত সৃষ্টি কৰা, ডিজিটেল ৰূপত নতুনকৈ বিকশাই তোলা বা সংশ্লেষণাত্মক বিষয়বস্তু হিচাপে চিহ্নিত কৰিবলৈ কৈছে। চিহ্নিত কৰাৰ বাবে ব্যৱহাৰ কৰা লেবেলসমহে ' দৃষ্টিগোচৰ ক্ষেত্ৰৰ কমেও ১০ শতাংশ সামৰি ল'ব লাগিব। আয়োগে লগতে কোনো লোকৰ বিনা অনুমতিত তেওঁলোকৰ পৰিচয় বা কণ্ঠ ভুলকৈ উপস্থাপন কৰা আৰু যিকোনো ধৰণৰ বেআইনী বিষয় প্ৰচাৰ বা শ্বেয়াৰ কৰাৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰিছে। আয়োগে এনে ধৰণৰ যিকোনো বিষয় আঁতৰাই দিয়াৰ বাবে ৰাজনৈতিক দলসমূহক তিনি ঘণ্টাৰ সময়ো ধাৰ্য কৰি দিছে।০০০০০

০০০০০

চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ বাবে ৰাষ্ট্ৰীয় পেন্সন আঁচনি, এন পি এছ্‌ আৰু সংহত পেন্সন আঁচনি ইউ পি এছ্‌ৰ অন্তৰ্গত এল চি ছেভেণ্টি ফাইভ আৰু বি এল চি বিনিয়োগ বিকল্পৰ সম্প্ৰসাৰণত অনুমোদন দিছে। বেচৰকাৰী গ্ৰাহকৰ বাবে থকা বিনিয়োগৰ বিকল্পৰ দৰে কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলেও তেওঁলোকৰ বাবে দীৰ্ঘদিন ধৰি এই সুবিধাৰ দাবী কৰি আহিছে। কৰ্মচাৰীসকলে যাতে অৱসৰকালীন পৰিকল্পনা কৰাত স্বাচ্ছ্যন্দ অনুভৱ কৰে আৰু বিচৰা ধৰণে বিনিয়োগ কৰিবলৈ বিকল্প সুবিধা লাভ কৰিব পাৰে সেই উদ্দেশ্যে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এন পি এছ্‌ আৰু ইউ পি এছ্‌ৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলে এতিয়া বিনিয়োগৰ বিকল্প সুবিধাসমূহ বাচনি কৰিব পাৰিব। এই সিদ্ধান্তই কৰ্মচাৰীসকলক বিনিয়োগৰ বিকল্প নিৰ্বাচনৰ সুবিধা প্ৰদান কৰাৰ উপৰি পৰিকল্প ৰূপায়ণৰ ক্ষেত্ৰত সঠিক নিৰ্দেশনা প্ৰদান কৰিব।০০০

০০০০০০

ভাৰতে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে চীডনীত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত আমালৈ বাতৰি অহা পৰলৈকে ৭ অভাৰত এটাও উইকেট নেহেৰুওৱাকৈ ৩৭ ৰাণ সংগ্ৰহ কৰিছে। ইযাৰ পূৰ্বে অষ্ট্ৰেলিয়াই টচত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ৪৬ অভাৰ ৪টা বলত আটাইকেইটা উইকেট ৫ৰুৱাই ২৩৬ ৰাণ সংগ্ৰহ কৰে। অষ্ট্ৰেলিয়াৰ হৈ মেট ৰেন্‌শ্বই সৰ্বাধিক ৫৬ ৰাণ কৰে। মিছেল মাৰ্ছে ৪১ ৰাণৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ হৈ হৰ্ষিত ৰাণাই ৪টা আৰু ৱাছিংটন সুন্দৰে ২টা উইকেট দখল কৰে।

০০০০০০

আই চি চি মহিলা বিশ্বকাপ ক্রিকেট প্ৰতিযোগিতাত আজি অষ্ট্ৰেলিয়া দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি ৩ বজাত আৰম্ভ হ'ব। ইপিনে কালি শ্ৰীলংকা আৰু পাকিস্তানৰ মাজত কলম্বোত অনুষ্ঠিত খেলখন বৰষুণৰ বাবে বাতিল হয়। কোনো ফলাফল অবিহনে সমাপ্ত হোৱা এইখন হৈছে প্ৰতিযোগিতাৰ পঞ্চমখন খেল। দুয়োটা দলক পইণ্ট ভগাই দিয়া হয়। বৰষুণৰ বাবে খেলখন তিনি ঘণ্টা পলমকৈ আৰম্ভ হোৱা খেলখনৰ চাৰি অভাৰ দুটা বল খেলাৰ পাছতে পুনৰ বৰষুণ হোৱাত খেলখন বাতিল কৰা হয়। এই প্ৰতিযোগিতাত পাকিস্তান আৰু শ্ৰীলংকাৰ তিনিখনকৈ খেল বৰষুণৰ বাবে বাতিল হৈছে। শ্ৰীলংকাই পাঁচ পইণ্ট লাভ কৰাৰ বিপৰীতে পাকিস্তানে তিনি পইণ্ট লাভ কৰি প্ৰতিযোগিতাৰ পৰা বিদায় লয়।

০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্প মালয়েছিয়াত হ'বলগীয়া আছিয়ান সন্মিলনত ভাগ লোৱাৰ উদ্দেশ্যে ৰাওনা হৈছে। ভ্ৰম্ণৰ সময়ছোৱাত শ্ৰী ট্ৰাম্পে চীনৰ ৰাষ্ট্ৰপতি চি ছীনফিং আৰু উত্তৰ কোৰিয়াৰ কিং জং উনকে ধৰি কেইবাগৰাকীও আঞ্চলিক নেতাক সাক্ষাৎ কৰাৰ সম্ভাৱনা আছে। শ্ৰী ছীং পিং আৰু ট্ৰাম্পে দেশদুখনৰ মাজত চলি থকা ব্যৱসায়িক যুদ্ধৰ সমাপ্তিৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰিব। ৱাশ্বিংটনৰ পৰা প্ৰস্থানৰ পূৰ্বে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী ট্ৰাম্পে কয যে অহা মাহৰ ১ তাৰিখৰ পৰা আৰোপ কৰি বলগীয়া অতিৰিক্ত ১০০ শতাংশ শুল্কৰ পৰা সকাহ পোৱাৰ বাবে চীনে এখন চুক্তিত সন্মতি প্ৰকাশ কৰিব বুলি তেওঁ আশাবাদী। মালয়েছিয়া ভ্ৰমণৰ সময়ত শ্ৰী ট্ৰাম্পে এখন নতুন ব্যৱসায়িক চুক্তিত স্বাক্ষৰ কৰাৰ লগতে থাইলেণ্ড আৰু কম্বোডিয়াৰ মাজত শান্তি চুক্তি স্বাক্ষৰ হোৱাৰ সম্ভাৱনা আছে। তেওঁ ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুইজ ইনাছিঅ' লুলা দ্যা ছিল্বাকো সাক্ষাৎ কৰাৰ কথা। শ্ৰী

ট্ৰাম্পে মালয়েছিয়া ভ্ৰমণ সামৰি ট'কিঅ'লৈ যাব। টকিঅ'ত তেওঁ জাপানৰ নৱ নিযুক্ত প্ৰথম মহিলা প্ৰধানমন্ত্ৰী ছানাইয়ে টাকাইছিকো সাক্ষাৎ কৰিব। ০০০